# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 15-02-2025
**Time :** 1910 hrs

ASSAMESE EVENING BULLETIN
## HEADLINES
**::::::::::::::::::**

১। কেন্দ্ৰীয় চৰকাৰে কৃত্ৰিম বুদ্ধিমত্তাক উচ্চ শিক্ষাত অন্তৰ্ভুক্ত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

২। কেন্দ্ৰ আৰু অসমত শাসনাধিস্থিতিত এন ডি এ চৰকাৰে বড়ো জনগোষ্ঠীৰ সৱলীকৰণৰ বাবে নিৰন্তৰ প্ৰয়াস চলাই আহিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে গণতন্ত্ৰক পাশ্চাত্যৰ বৈশিষ্ট হিচাপে গণ্য কৰাৰ বাবে পশ্চিমীয়া দেশসমূহক তীব্ৰ সমালোচনা কৰিছে।

৪। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভল’ডিমিৰ জেলেনস্কিয়ে ইউৰোপৰ এটা সংগঠিত সেনাবাহিনী গঢ়ি তোলাৰ বাবে আহ্বান জনাইছে।

*আৰু*

৫। সমাগত আই চি চি চেম্পিয়নছ্ ট্ৰফীৰ বাবে ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় ক্ৰিকেট দলটো আজি ডুবাই অভিমুখে ৰাওনা হৈছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে কৃত্ৰিম বুদ্ধিমত্তাক উচ্চ শিক্ষাত অন্তৰ্ভুক্ত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। আজি বিয়লি ৰাঁচীৰ বিৰলা প্ৰযুক্তি প্ৰতিষ্ঠানৰ মহাৰজত জয়ন্তী অংশগ্ৰহণ কৰি শ্ৰীমতী মুৰ্মুৱে কয় যে কৃত্ৰিম বুদ্ধিমত্তা আৰু মেচিন লাৰ্নিঙ প্ৰযুক্তিৰ অগ্ৰগতিৰ ফলত ভৱিষ্যতে অভূতপূৰ্ব পৰিৱৰ্তন দেখিবলৈ পোৱা যাব। উন্নত ভাৰত গঠন প্ৰক্ৰিয়াত যুৱ প্ৰজন্মৰ উৎসাহ, উদ্দীপনা আৰু নিস্থাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে, উদ্ভাৱক আৰু উদ্যমীসকল পৰম্পৰাগত সম্প্ৰদায়মূহৰ জ্ঞানৰ ভেটিৰ প্ৰতি আওকান কৰা উচিত নহ’ব। মহিলা সৱলীকৰণ সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰীমতী মুৰ্মুৱে কয় যে ছোৱালীসকল বিজ্ঞান, অভিযান্ত্ৰিক, প্ৰযুক্তি আৰু গণিতৰ ক্ষেত্ৰত কোনো গুণে পিছ পৰি থকা নাই।

০০০০০০০

কেন্দ্ৰ আৰু অসমত শাসনাধিস্থিতিত এন ডি এ চৰকাৰে বড়ো জনগোষ্ঠীৰ সৱলীকৰণ আৰু জনগোষ্ঠীটোৰ লোকসকলৰ অভিলাস পূৰণৰ বাবে নিৰলসভাৱে প্ৰয়াস চলাই আহিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। এই প্ৰচেষ্টা ইয়াতকৈও ব্যাপকৰূপত অব্যাহত থাকিব বুলি তেওঁ মন্তব্য কৰে। পৰহিলৈ কোকৰাঝাৰত

অসম বিধানসভা অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী ৰূপায়ণ সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত দিয়া বাৰ্তাৰ প্ৰতি সঁহাৰি জনাই প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে পৰহিলৈ কোকৰাঝাৰত এদিনীয়াকৈ এই অধিৱেশন অনুষ্ঠিত কৰাৰ সিদ্ধান্তক প্ৰশংসা কৰে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে গণতন্ত্ৰক পাশ্চাত্যৰ বৈশিষ্ট হিচাপে গণ্য কৰাৰ বাবে পশ্চিমীয়া দেশসমূহক তীব্ৰ সমালোচনা কৰিছে। মন্ত্ৰীগৰাকীয়ে পশ্চিমীয়া দেশসমূহে নিজ দেশত গণতান্ত্ৰিক প্ৰমূল্যৰাজিৰ সমৰ্থন কৰাৰ বিপৰীতে উন্নয়নশীল দেশসমূহত অগণতান্ত্ৰিক শক্তিসমূহৰ প্ৰতি সমৰ্থন আগবঢ়াই আহিছে বুলি অভিযোগ তোলে। কালি মিউনিখ সুৰক্ষা সন্মিলনৰ আলোচনাত অংশ লৈ ড০ জয়শংকৰে কয়, যে সমগ্ৰ বিশ্বতে গণতন্ত্ৰৰ প্ৰসাৰ হ'বলৈ হ'লে পাশ্চাত্যৰ দেশসমূহে নিজ অঞ্চলৰ বাহিৰৰ সফল গণতান্ত্ৰিক আৰ্হিসমূহক স্বীকৃতি দিব লাগিব আৰু সেইসমূহ আকোঁৱালি ল'ব লাগিব। গণতন্ত্ৰৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে দেশে বিভিন্ন প্ৰত্যাহ্বান স্বত্বেও  গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি আস্থা ৰাখি আহিছে আৰু ভাৰত এই ব্যৱস্থাৰ প্ৰতি আস্থাশীল অঞ্চলটোৰ অন্যতম ৰাষ্ট্ৰ। গণতন্ত্ৰই বুনিয়াদী প্ৰয়োজন পূৰণ নকৰে বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ সাংসদ এলিছা শ্লটকিনে কৰা মন্তব্যৰ বিৰোধীতা কৰি ড০ জয়শংকৰে কয়, যে ভাৰতে ৮০ কোটি লোকলৈ পৰিপুষ্টিজনিত সাহায্য আগবঢ়াই আহিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে  নতুন দিল্লীত অনুষ্ঠিত ভাৰত-টেক্স ২০২৫ প্ৰদৰ্শনীত কাইলৈ ভাগ ল'ব। এই সুযোগতে শ্ৰী মোদীয়ে এটা সমাৰেশক সম্বোধন কৰিব। ১৭ ফেব্ৰুৱাৰীত  এই প্ৰদৰ্শনীৰ সামৰণি পৰিব। এই প্ৰদৰ্শনীত কেঁচা সামগ্ৰী, উৎপাদিত সামগ্ৰী আৰু আনুসংগিক সা-সঁজুলীকে ধৰি বস্ত্ৰ উদ্যোগ খণ্ডৰ সমগ্ৰ মূল্য শৃংখলা একেখন মঞ্চত উপৰিষ্ট কৰোৱা হৈছে।

০০০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে সংসদত শেহতীয়াকৈ দিয়া ভাষণত ভাৰতীয় অৰ্থনীতি এখন স্পষ্ট ছবি দাঙি ধৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত প্ৰধানমন্ত্ৰীয়ে বিত্ত মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় বাজেট নতুন আয়কৰ বিধেয়ক অন্তৰ্ভুক্তি সন্দৰ্ভত সংসদত দিয়া ভাষণটো শ্বেয়াৰ কৰে। বিত্তমন্ত্ৰীগৰাকীক প্ৰশংসা কৰি শ্ৰী মোদীয়ে কয়, যে শ্ৰীমতী সীতাৰমণৰ এই ভাষণে কেন্দ্ৰীয় চৰকাৰৰ সংস্কাৰমূলক পদক্ষেপকে প্ৰতিফলিত কৰিছে।

০০০০০০০

মুম্বাই আৰক্ষীয়ে ৰনবীৰ এলাহবাদীয়াৰ ম'বাইল ফোন বন্ধ হৈ থকাৰ বাবে প'ডকাষ্টাৰজনৰ শুংসূত্ৰ উলিয়াব পৰা নাই। এলাহবাদীয়াই  সময় ৰাইনাৰ ইউটিউব শ্বোত পিতৃ-মাতৃৰ বিষয়ে কৰা অশোভনীয় মন্তব্যক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে আৰু এই সন্দৰ্ভত কেইবাগৰাকীও ব্যক্তিয়ে অভিযোগ দাখিল কৰিছে। ইপিনে মুম্বাই আৰক্ষীয়ে এলাহবাদীয়াই কৰা বিতৰ্কিত মন্তব্যৰ তদন্তৰ সংক্ৰান্তত ১০ মাৰ্চ পৰ্যন্ত হাজিৰ হ'বলৈ ইউটিউবাৰ কমেডিয়ান ৰাইনাক সময় দিছে।

অসম আৰক্ষীয়েও যোৱা বুধবাৰে মুম্বাইৰ পাঁচগৰাকী ইউটিউবাৰ আৰু ছ'চিয়েল মিডিয়া ইনফ্লুয়েঞ্চাৰক চাৰি দিনৰ ভিতৰত গুৱাহাটীত উপস্থিত হোৱাৰ বাবে জাননী জাৰি কৰিছিল। এই ঘটনাৰ তদন্তৰ বাবে মুম্বাইলৈ যোৱা

অসম আৰক্ষীৰ অপৰাধ শাখাৰ এটা দলে ইউটিউবাৰ আচিছ চঞ্চলানি, যশপ্ৰীত সিং, অপূৰ্ব মাখিজা, ৰণবীৰ এলাহবাদীয়া, সময় ৰাইনাৰ্লে এই জাননী জাৰি কৰিছিল। সামাজিক মাধ্যমত আপত্তিজনক বিষয় উত্থাপন আৰু অশালীন আলোচনাত লিপ্ত হোৱাৰ অভিযোগত এই লোককেইজনৰ বিৰুদ্ধে অসম আৰক্ষীয়ে গোচৰ ৰুজু কৰিছে। মহিলা আয়োগেও অহা ১৭ ফেব্ৰুৱাৰীত এই লোককেইজনক গুৱাহাটীৰ কাৰ্যালয়ত হাজিৰ হ'বলৈ তলব কৰিছে।

০০০০০০০

ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভল'ডিমিৰ জেলেনস্কিয়ে ইউৰোপৰ এটা সংগঠিত সেনাবাহিনী গঢ়ি তোলাৰ বাবে আহ্বান জনাইছে। তেওঁ কয়, যে ৰাছিয়াৰ বিৰুদ্ধে ইউক্ৰেইনৰ যুদ্ধৰ ফলত এই বাহিনী গঠনৰ আৱশ্যকতা অনুভূত হৈছে। মিউনিখ নিৰাপত্তা সন্মিলনত দিয়া ভাষণত জেলেনস্কিয়ে এই সন্মিলিত বাহিনীটো গঠনত গুৰুত্ব আৰোপ কৰি কয়, যে আমেৰিকাই যিকোনো নিৰাপত্তা সম্পৰ্কীয় বিষয়ৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

০০০০০০০

আমেৰিকান সেনাবাহিনীত এতিয়াৰে পৰা তৃতীয় লিংগৰ লোকক অন্তৰ্ভুক্ত কৰাত অনুমতি দিয়া নহ'ব আৰু সামৰিক বাহিনীয়ে লিংগ পৰিৱৰ্তনৰ কোনো প্ৰচেষ্টাক অনুমতি নিদিয়ে। সামাজিক মাধ্যমৰ এটা পোষ্টত আমেৰিকান সেনাবাহিনীয়ে প্ৰকাশ কৰা মতে, লিংগ সন্দৰ্ভত বিসংগতি থকা লোকসকলকো মৰ্যাদা সহকাৰে গ্ৰহণ কৰাৰ লগতে ৰাষ্ট্ৰৰ বাবে তেওঁলোকৰ সেৱা আগবঢ়োৱাৰ মনোভাবক সন্মান জনোৱা হ'ব। সেনাবাহিনীৰ সূত্ৰই প্ৰকাশ কৰা মতে, অনিৰ্দিষ্ট কালৰ বাবে লিংগ বিসংগতিক লৈ কোনো ধৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নহ'ব। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে যোৱা ২৭ জানুৱাৰীত তৃতীয় লিংগৰ লোকসকলক সেনাবাহিনীত নিয়োগ কৰাত নিষেধাজ্ঞা আৰোপ কৰি জাৰি কৰা এটা কাৰ্যবাহী আদেশৰ পাছতে সামৰিক বাহিনীত এই নীতি পৰিৱৰ্তন কৰা হৈছে।

০০০০০০০

কয়লা আৰু খনি ৰাজ্যমন্ত্ৰী সতীশ চন্দ্ৰ ডুবেই আজি নতুন দিল্লীত শ্ৰীলংকাৰ উদ্যোগ আৰু উদ্যমশীলতা উন্নয়ন মন্ত্ৰী সুনীল হাণ্ডুন্নেত্তীৰ সৈতে বিৰল খনিজ পদাৰ্থ, অন্বেষণ আৰু খনন ক্ষেত্ৰত উভয় দেশৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাৰ বিষয়ে আলোচনা কৰে। আলোচনাত খনিজ পদাৰ্থৰ অন্বেষণ আৰু খননৰ ক্ষেত্ৰত বিশেষকৈ দুয়োখন দেশৰ অৰ্থনৈতিক আৰু ঔদ্যোগীক বিকাশৰ বাবে আৱশ্যকীয় বিৰল খনিজাত পদাৰ্থ আহৰণৰ ক্ষেত্ৰত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰা হয়। এই উপলক্ষে শ্ৰী ডুবেই নৱীকৰণযোগ্য শক্তিৰ লক্ষ্যত উপনীত হোৱাৰ বাবে লিথিয়াম, গ্ৰেফাইট, নিকেল আৰু তামৰ দৰে অত্যাৱশ্যকীয় কেঁচা সামগ্ৰীৰ নিৰন্তৰ যোগান সুনিশ্চিত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা ভাৰতৰ ৰাষ্ট্ৰীয় বিৰল খনিজ পদাৰ্থ অভিযানৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয়, যে ভাৰত আৰু শ্ৰীলংকাৰ মাজত পুৰণি কালৰে সহযোগিতা আছে খনন খণ্ডৰ সহযোগিতাই উভয় দেশৰ মাজৰ অৰ্থনৈতিক সম্পৰ্ক অধিক সুদৃঢ় কৰি তুলিব।

০০০০০০০

গাজা ষ্ট্ৰিপত যোৱা মাহত কাৰ্যকৰী হোৱা যুদ্ধবিৰতি চুক্তিৰ অধীনত পেলেষ্টাইনী গোট হামাছে আজি বিয়লি আৰু তিনিজন ইজৰাইলী পণবন্দীক মুকলি কৰি দিছে। যুদ্ধবিৰতি চুক্তিৰ অধীনত এয়া ষষ্ঠবাৰৰ বাবে পণবন্দী বিনিময়। পণবন্দী তিনিওজনকেই ইজৰাইলৰ কিবুটজ নিৰ অ'জৰ পৰা অপহৰণ কৰা হৈছিল, য'ত ৭ অক্টোবৰৰ আক্ৰমণৰ সময়ত ৪০০

জন বাসিন্দাৰ ভিতৰত কমেও ৮০ জন লোকক পণবন্দী কৰা হৈছিল। ইফালে হামাছৰ কাৰাবন্দী মিডিয়া কাৰ্যালয়ে ঘোষণা কৰা মতে পণবন্দী তিনিজনৰ বিনিময়ত ইজৰাইলে ৩৬৯ জন পেলেষ্টাইনী বন্দীক মুকলি কৰি দিয়াৰ সম্ভাৱনা আছে। এই কয়দীসকলৰ ভিতৰত গাজাৰ ৩৩৩ জন আৰু আজীৱন কাৰাদণ্ডৰ শাস্তি লাভ কৰা৩৬ জন  লোক আছে। যুদ্ধবিৰতি চুক্তি নিয়াৰিকৈ কাৰ্যকৰী কৰাৰ লগতে হামাছে অধিকসংখ্যক বন্দী সুৰক্ষিতভাৱে মুকলি কৰি দিয়াটো নিশ্চিত কৰাৰ বাবে চলি থকা প্ৰচেষ্টাৰ অংশ হিচাবে দুয়ো পক্ষৰ মাজত এই বন্দী বিনিময় সম্ভৱ হয়।আন্তঃৰাষ্ট্ৰীয় মধ্যস্থতাকাৰীসকলে গাজা ভূখণ্ডত বাহাল থকা উদ্বেগপূৰ্ণ পৰিস্থিতিৰ অৱসান ঘটোৱাৰ বাবে মানৱীয় দৃষ্টিভংগীৰে দুয়ো পক্ষক এই চুক্তিৰ প্ৰতি সন্মান জনাবলৈ আহ্বান জনাইছে।

০০০০০০০

সমাগত আই চি চি চেম্পিয়নছ ট্ৰফীৰ বাবে ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় ক্ৰিকেট দলটো আজি ডুবাই অভিমুখে ৰাওনা হৈছে। ভাৰতে অহা ২০ ফেব্ৰুৱাৰীত বাংলাদেশৰ বিৰুদ্ধে খেলি অভিযান আৰম্ভ কৰিব। ইয়াৰ পাছতে ২৩ ফেব্ৰুৱাৰীত পাকিস্তানৰ বিৰুদ্ধে আৰু ২ মাৰ্চত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আঘাতৰ বাবে যশপ্ৰীত বুমৰাক দলত অন্তৰ্ভুক্ত নকৰা হেতুকে আশদ্বীপ সিং আৰু হৰ্ষিত ৰাণাই খেলাৰ সুযোগ লাভ কৰিছে। দলত স্পীনাৰ বৰুণ চক্ৰৱৰ্তীকো স্থান দিয়া হৈছে।

০০০০০০০

ডেলহি কেপিটেলছ আজি কিছুসময় পাছত বডোডৰাত হ'বলগীয়া মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুই কালি অনুষ্ঠিত প্ৰতিযোহিতাৰ প্ৰথমখন খেলত গুজৰাট জায়েণ্টছক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত